জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৫৪০/২০২০

# শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

## প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ নশ্বৰ দেহত মাল্যাৰ্পণ কৰি শ্ৰেষ শ্ৰদ্ধা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১১ আগষ্ট ঃ** বিদগ্ধ পণ্ডিত, গৱেষক, বৈষ্ণৱ সাহিত্যৰ কাণ্ডাৰী শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰ, মাজুলীৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে আমাৰ সমাজ জীৱনলৈ আধ্যাত্মিক, সাংস্কৃতিক তথা বৌদ্ধিক দিশত যি বিশিষ্ট অৱদান আগবঢ়াই গৈছে সেয়া ৰাজ্যৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰজ্ঞাৰ সাধক, জ্ঞান তপস্বী এইগৰাকী বিশিষ্ট পণ্ডিতে নাট্য সাহিত্যকে ধৰি জ্ঞান-বিজ্ঞানৰ গ্ৰন্থৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। শংকৰদেৱ বঁটা প্ৰাপক এইগৰাকী বৰেণ্য ব্যক্তিয়ে সত্ৰীয়া সংস্কৃতিক বিশ্ব পৰ্যায়ত তুলি ধৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক হিচাপেও তেওঁ ৰাজ্যৰ শিক্ষা জগতলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। জ্ঞান গৰিমাৰে স্ব-মহিমাণ্ডিত এইগৰাকী সত্ৰাধিকাৰ তথা বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ ৰাজ্যখনৰ বৌদ্ধিক, সাংস্কৃতিক, আধ্যাত্মিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আনহাতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ নশ্বৰ দেহত মাল্যাৰ্পণ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰ, মাজুলীৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। ৰাজ্যখনৰ বৌদ্ধিক, সাংস্কৃতিক, বিদ্যায়তনিক দিশৰ উজ্জ্বল নক্ষত্ৰ হিচাপে পৰিচিত এইগৰাকী আধ্যাত্মিক গুৰুৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে বৃহৎ ক্ষতি বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ বিয়োগৰ বাতৰি পোৱাৰ পিছতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু আইন উপদেষ্টা শান্তনু ভৰালীয়ে সত্ৰাধিকাৰগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰা চিকিৎসালয়খনত উপস্থিত হৈ তেখেতৰ নশ্বৰ দেহত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা নিৱেদন কৰে।

**পুঃডেঃ / বঃভাঃ**
১১/০৮/২০২০